**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 05-05-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

# HEADLINES

**::::::::::::::::::**

১। অসম বিধানসভা নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টিয়ে নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰিছে।

২। পশ্চিমবংগত বিজেপিয়ে টি এম চিৰ ১৫ বছৰীয়া শাসন ওফৰাই চৰকাৰ গঠনৰ দিশে আগবাঢ়িছে।

৩। তামিলনাডুত চি জোচেফ বিজয় নেতৃত্বাধীন টি ভি কে দলে প্ৰথমবাৰৰ বাবে নিৰ্বাচনত অৱতীৰ্ণ হৈয়েই সৰ্বাধিক ১০৮ খন আসন দখল কৰিবলৈ সমৰ্থ হৈছে।

৪। মধ্যপ্ৰাচ্যৰ উপসাগৰীয় অঞ্চলত ইৰানৰ শেহতীয়া ড্ৰোন আৰু মিচাইল আক্ৰমণৰ পৰিপ্ৰেক্ষিত খাৰুৱা তেলৰ মূল্য অধিক বৃদ্ধি পাইছে। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা মুম্বাইত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৬ উইকেটত পৰাস্ত কৰে।

ooooo

অসম বিধানসভা নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টিয়ে নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰিছে। দলটোৱে ১২৬টা সমষ্টিৰ ভিতৰত ৮২টাত জয়লাভ কৰিছে। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি ভাৰতীয় জাতীয় কংগ্ৰেছে ১৯, অসম গণ পৰিষদে ১০, বড়োলেণ্ড পিপলছ ফ্ৰণ্টে ১০, অল ইণ্ডিয়া ইউনাইটেড ডেম'ক্ৰেটিক ফ্ৰণ্টে ২, ৰাইজৰ দলে ২ আৰু অল ইণ্ডিয়া তৃণমূল কংগ্ৰেছে এখন আসনত জয়লাভ কৰিবলৈ সমৰ্থ হয়।

নিৰ্বাচনত বিজেপিয়ে লাভ কৰা এই অভূতপূৰ্ব সাফল্যৰ বাবে ৰাইজক ধন্যবাদ জ্ঞাপন কৰি জালুকবাৰী সমষ্টিৰ পৰা ৮৯ হাজাৰ ৪৩৪টা ভোটৰ ব্যৱধানত বৃহৎ জয় সাব্যস্ত কৰা ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ জৰিয়তে কয়, যে অসমবাসীৰ আশীৰ্বাদত নিৰ্বাচনত ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাৰ ১০২ গৰাকী প্ৰাৰ্থীয়ে বিজয় সাব্যস্ত কৰি ইতিহাস ৰচনা কৰিলে। এখন বিকশিত নতুন অসম গঢ়াৰ লক্ষ্য পূৰণৰ দিশে কাম কৰি যাবলৈ সংকল্পবদ্ধ বুলি উল্লেখ কৰি তেওঁ প্ৰতিগৰাকী বিজয়ী প্ৰাৰ্থীক অভিনন্দন জ্ঞাপন কৰে। ফলাফল ঘোষণাৰ পাছত ড০ শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকো সাক্ষাৎ কৰে। একেদৰে ড০ শৰ্মাই বিজেপিৰ সহযোগী বিপিএফৰ হাগ্ৰামা মহিলাৰীৰ সৈতেও সাক্ষাতত মিলিত হয়। বিকশিত বিটিআৰৰ বাবে কাম কৰাৰ প্ৰতিশ্ৰুতিৰ ক্ষেত্ৰত তেওঁ পুনৰ অংগীকাৰবদ্ধ বুলিও ড০ শৰ্মাই সামাজিক মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰে।

ইপিনে অসমত এন ডি এৰ এই অভূতপূৰ্ব বিজয় প্ৰসংগত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে এই বিজয় বিকাশ আৰু জনকল্যাণৰ ৰাজনীতিৰ প্ৰতি জনতা জনাৰ্দনৰ অটুত বিশ্বাসৰ প্ৰতীক। জনসাধাৰণলৈ ধন্যবাদ জ্ঞাপন কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে অসমৰ সৰ্বাঙ্গীণ বিকাশৰ বাবে কেন্দ্ৰীয় চৰকাৰে নিৰন্তৰ কাম অব্যাহত ৰাখিব বুলিও সামাজিক মাধ্যমৰ জৰিয়তে উল্লেখ কৰে।

কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোঁটে এইবেলি প্ৰদেশ কংগ্ৰেছৰ অধ্যক্ষ তথা সাংসদ গৌৰৱ গগৈক সন্মুখত ৰাখি বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছিল যদিও সচেতন ভোটদাতাৰ দৃষ্টি নিবদ্ধ হৈ থকা যোৰহাট সমষ্টিত গৌৰৱ গগৈ ২৩ হাজাৰ ১৮২টা ভোটৰ ব্যৱধানত পৰাস্ত হয়। সমষ্টিটোত বিজেপি প্ৰাৰ্থী হিতেন্দ্ৰ নাথ গোস্বামীয়ে ৬৯ হাজাৰ ৪৩৯টা ভোট লাভ কৰে।

শিৱসাগৰ সমষ্টিৰ ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে নিকটতম প্ৰতিদ্বন্দ্বী বিজেপিৰ কুশল দুৱৰীক ১৭ হাজাৰ ২৭২টা ভোটৰ ব্যৱধানত পৰাস্ত কৰি বিধানসভালৈ পুনৰ নিৰ্বাচিত হয়। আকৌ নতুনকৈ ৰাজনীতিলৈ আহি চৰ্চাৰ কেন্দ্ৰবিন্দু হোৱা ৰাইজৰ দলৰ প্ৰাৰ্থী জ্ঞানশ্ৰী বৰাও মৰিয়নি সমষ্টিত বিজেপি প্ৰাৰ্থী ৰূপজ্যোতি কুৰ্মীৰ বিৰুদ্ধে ২৬ হাজাৰ ৮৪০টা ভোটৰ ব্যৱধানত পৰাস্ত হয়। একেদৰে মধ্য গুৱাহাটী সমষ্টিতো বিজেপি প্ৰাৰ্থী বিজয় কুমাৰ গুপ্তাই নতুন প্ৰজন্মৰ প্ৰাৰ্থী অসম জাতীয় পৰিষদৰ কুংকি চৌধুৰীৰ বিৰুদ্ধে ৬১ হাজাৰ ৯২১টা ভোটৰ বৃহৎ ব্যৱধানত জয়লাভ কৰে। উল্লেখযোগ্য যে অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈও খোৱাং সমষ্টিত বিজেপি প্ৰাৰ্থী চক্ৰধৰ গগৈৰ বিৰুদ্ধে ৯ হাজাৰ ৯৮৪টা ভোটৰ ব্যৱধানত পৰাস্ত হয়।

কংগ্ৰেছ ত্যাগ কৰি বিজেপিত যোগ দিয়া ভূপেন বৰাক বিজেপিয়ে বিহপুৰীয়া সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব দিয়াৰ পাছত কংগ্ৰেছ প্ৰাৰ্থী নাৰায়ণ ভূঞাৰ সৈতে তুমুল প্ৰতিদ্বন্দ্বিতা হয় যদিও সমষ্টিটোত শ্ৰীবৰাই ৮ হাজাৰ ২৩৬টা ভোটৰ ব্যৱধানত জয়লাভ কৰে। দিছপুৰ সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়ে ভাৰতীয় জাতীয় কংগ্ৰেছৰ নিকটতম প্ৰতিদ্বন্দ্বী মীৰা বৰঠাকুৰ গোস্বামীক প্ৰায় ৫০ হাজাৰ ভোটৰ ব্যৱধানত পৰাস্ত কৰে। সমষ্টিটোত বিজেপিৰ প্ৰাৰ্থিত্ব প্ৰত্যাশী জয়ন্ত কুমাৰ দাসে নিৰ্দলীয়ভাৱে নিৰ্বাচনত অৱতীৰ্ণ হৈছিল যদিও তেওঁ মাত্ৰ ২২ হাজাৰ ৮০২টা ভোটহে লাভ কৰিবলৈ সক্ষম হয়।

০০০০০

অসমৰ উপৰি কালি পশ্চিমবংগ, তামিলনাডু, পুডুচেৰী আৰু কেৰলমৰো বিধানসভা নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হয়। ফলাফল অনুসৰি বিজেপিয়ে পশ্চিমবংগত প্ৰথমবাৰৰ বাবে বিজয় সাব্যস্ত কৰে। ৰাজ্যখনত বিজেপিয়ে মুঠ ২৯৩ খনৰ ভিতৰত ২০৬ খন আসন হস্তগত কৰিবলৈ সমৰ্থ হয়। ৰাজ্যখনত ১৫ বছৰ ধৰি শাসনত থকা টিএমচিয়ে এইপৰ্যন্ত ৮০ খন আসনত জয়লাভ কৰাৰ বাতৰি আহিছে। ৰাজ্যখনত ভাৰতীয় জাতীয় কংগ্ৰেছ আৰু আম জনতা উন্নয়ন পাৰ্টিয়ে দুখনকৈ আসনত জয়লাভ কৰে। উল্লেখযোগ্য যে ৰাজ্যখনৰ ভৱানীপুৰ সমষ্টিত মমতা বেনাৰ্জী বিজেপিৰ শুভেন্দু অধিকাৰীৰ বিৰুদ্ধে ১৫ হাজাৰ ১০৫টা ভোটৰ ব্যৱধানত পৰাস্ত হয়। ১৯৭২ চনৰ পাছত ৰাজ্যখনত প্ৰথমবাৰৰ বাবে কেন্দ্ৰত থকা কোনো দলে চৰকাৰ গঠনৰ দিশে আগবাঢ়িছে। ৰাজ্যখনত ২৩ আৰু ২৯ এপ্ৰিলত দুটা পৰ্যায়ত ভোটগ্ৰহণ কৰা হৈছিল। স্বাধীনতাৰ পাছত ৰাজ্যখনত এইবেলি সৰ্বাধিক ৯২ দশমিক ৪—৭ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিছিল। পশ্চিমবংগৰ ফাল্টা সমষ্টিত নিৰ্বাচন আয়োগে পুনৰ নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰিছে। সমষ্টিটোত অহা ২১ মে'ত ভোটগ্ৰহণ কৰাৰ বিপৰীতে ২৪ মে'ত ফলাফল ঘোষণা কৰা হ'ব।

ইপিনে তামিলনাডুত অভিনেতাৰ পৰা গৈ ৰাজনীতিৰ পথাৰত খোজ দিয়া চি জোচেফ বিজয় নেতৃত্বাধীন টি ভি কে দলে প্ৰথমবাৰৰ বাবে নিৰ্বাচনত অৱতীৰ্ণ হৈয়েই সৰ্বাধিক ১০৮ খন দখল কৰিবলৈ সমৰ্থ হয়। ৰাজ্যখনত শাসনাধিষ্ঠিত ডি এম কেই ২৩৪ খন আসনৰ ভিতৰত ৭৯ খনত জয়লাভ কৰাৰ বিপৰীতে প্ৰধান বিৰোধী দল হিচাপে চিহ্নিত এ আই এ ডি এম কেই ৪৭ খন আসনহে হস্তগত কৰিবলৈ সমৰ্থ হয়। ৰাজ্যখনত মুখ্যমন্ত্ৰী এম কে ষ্টেলিনে চেন্নাইৰ কোলাথুৰ সমষ্টিত টি ভি কেৰ ভি এছ বাবুৰ

বিৰুদ্ধে প্ৰায় ৮ হাজাৰ ৭০০টা ভোটৰ ব্যৱধানত পৰাস্ত হয়। অৱশ্যে তেওঁৰ পুত্ৰ তথা উপ-মুখ্যমন্ত্ৰী ইউ ষ্টেলিনে নিজৰ সমষ্টিত জয়লাভ কৰে। ৰাজ্যখনত বিজেপিৰ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী এল মুৰুগানো পৰাস্ত হয়।

কেৰলমত ভাৰতীয় জাতীয় কংগ্ৰেছে মুঠ ১৪০ খন আসনৰ ভিতৰত ৬৩ খনত জয়লাভ কৰে। ৰাজ্যখনত চি পি আই এমে ২৬ খন আৰু আই ইউ এম এলে ২২ খন আসনত জয়লাভ কৰে। ইপিনে পুডুচেৰীৰ মুঠ ৩০ খন আসনৰ ভিতৰত এ আই এন আৰ কংগ্ৰেছে সৰ্বাধিক ১২ খন আসনত জয়লাভ কৰে। পুডুচেৰীত ডি এম কেই ৫ খন আৰু বিজেপিয়ে ৪ খন আসনত জয়লাভ কৰি ক্ৰমে দ্বিতীয় আৰু তৃতীয় স্থানত থাকে।

০০০০০

ভাৰতীয় জনতা পাৰ্টিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে চাৰিখন ৰাজ্য আৰু এটা কেন্দ্ৰীয়শাসিত অঞ্চলৰ বিধানসভা নিৰ্বাচনত বিজেপি তথা এন.ডি.এ.ৰ প্ৰতি জনসাধাৰণে আগবঢ়োৱা অভূতপূৰ্ব সঁহাৰি আৰু সমৰ্থনৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছে। এটা বিবৃতিত সভাপতিগৰাকীয়ে উল্লেখ কৰে যে অসম, পশ্চিমবংগ আৰু পুডুচেৰীৰ নিৰ্বাচনী ফলাফলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বলিষ্ঠ নেতৃত্বৰ প্ৰতি দেশবাসীৰ অটল আস্থা আৰু বিশ্বাসক পুনৰবাৰ প্ৰমাণিত কৰিছে। বিশেষকৈ পশ্চিমবংগত দলৰ আশাব্যঞ্জক ফলাফল দলীয় কাৰ্যকৰ্তাসকলৰ নিৰন্তৰ প্ৰচেষ্টা, ত্যাগ আৰু নিষ্ঠাৰ ফলতেই সম্ভৱ হৈছে বুলি তেওঁ উল্লেখ কৰে। সংশ্লিষ্ট সকলো ৰাজ্যৰে ভোটাৰসকলে উন্নয়নৰ স্বাৰ্থত বিজেপিৰ ওপৰত দেখুওৱা আস্থাৰ বাবে তেওঁ দেশবাসীক ধন্যবাদ জনায়।

০০০০০

মধ্যপ্ৰাচ্যৰ উপসাগৰীয় অঞ্চলত ইৰানৰ শেহতীয়া ড্ৰোন আৰু মিছাইল আক্ৰমণৰ পৰিপ্ৰেক্ষিতত বিশ্ব বজাৰত খাৰুৱা তেলৰ মূল্য অভূতপূৰ্বভাৱে বৃদ্ধি পাইছে। যোৱা ২৪ ঘণ্টাত সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰ আৰু পাৰস্য উপসাগৰত চলাচল কৰা বাণিজ্যিক জাহাজসমূহৰ ওপৰত ইৰাণে আক্ৰমণ তীব্ৰতৰ কৰি তোলাৰ ফলত সোমবাৰে তেলৰ আন্তঃৰাষ্ট্ৰীয় দৰ প্ৰায় ৬ শতাংশ পৰ্যন্ত উৰ্ধগামী হয়।

যোৱা এপ্ৰিল মাহৰ আৰম্ভণিতে আমেৰিকা আৰু ইৰানৰ মাজত স্বাক্ষৰিত যুদ্ধবিৰতি চুক্তিৰ পাছত ই আটাইতকৈ উত্তেজনামূলক পৰিস্থিতি হিচাপে পৰিগণিত হৈছে।

বজাৰৰ তথ্য অনুসৰি, আন্তঃৰাষ্ট্ৰীয় মানক ব্ৰেণ্ট ক্ৰুডৰ মূল্য প্ৰতি বেৰেলত ৬.২৭ ডলাৰ অৰ্থাৎ ৫.৮ শতাংশ বৃদ্ধিৰে ১১৪.৪৪ ডলাৰত উপনীত হৈছে। একেদৰে, আমেৰিকাৰ ৱেষ্ট টেক্সাছ ইণ্টাৰমিডিয়েট খাৰুৱা তেলৰ মূল্যও ৪.৪৮ ডলাৰ অৰ্থাৎ ৪.৪ শতাংশ বৃদ্ধি পাই প্ৰতি বেৰেলত ১০৬.৪২ ডলাৰত স্থিৰ হৈছে।

০০০০০

যোৱা মাহত আমেৰিকা আৰু ইৰানৰ মাজত স্বাক্ষৰিত যুদ্ধবিৰতি চুক্তিৰ পৰিপ্ৰেক্ষিতত বিৰাজ কৰা শান্তিপূৰ্ণ পৰিৱেশ বিঘ্নিত কৰি কালি সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ ফুজিৰাহ তৈল উদ্যোগ অঞ্চলত ভয়াৱহ ড্ৰ'ণ আৰু মিছাইল আক্ৰমণ সংঘটিত হয়। সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে সদৰী কৰা অনুসৰি, তেওঁলোকৰ বায়ু প্ৰতিৰক্ষা বাহিনীয়ে ১২টা বেলিষ্টিক মিছাইল আৰু বহুসংখ্যক ড্ৰ'ণ আকাশমাৰ্গতে প্ৰতিহত কৰিবলৈ সক্ষম হয় যদিও এই আক্ৰমণৰ ফলত বৃহৎ অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটে।

এই ঘটনাত তিনিগৰাকী ভাৰতীয় নাগৰিক সামান্য পৰিমাণে আহত হোৱাৰ বাতৰি পোৱা গৈছে। আবু-ধাবিস্থিত ভাৰতীয় দূতাবাসে স্থানীয় কৰ্তৃপক্ষৰ সৈতে নিৰন্তৰ যোগাযোগ ৰক্ষা কৰি আহতসকলৰ চিকিৎসা তথা সুৰক্ষা নিশ্চিত কৰিছে।

সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এই আক্ৰমণক আন্তঃৰাষ্ট্ৰীয় আইনৰ চৰম উলংঘন আৰু আঞ্চলিক সুস্থিৰতাৰ প্ৰতি এক ভয়াৱহ ভাবুকি বুলি অভিহিত কৰি ইৰাণক ইয়াৰ বাবে জগৰীয়া কৰিছে। দেশৰ সাৰ্বভৌমত্ব আৰু জনসাধাৰণৰ নিৰাপত্তা সুৰক্ষিত কৰিবলৈ সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰই আন্তঃৰাষ্ট্ৰীয় আইনৰ পৰিসৰত থাকি উচিত প্ৰত্যুত্তৰ দিয়াৰ অধিকাৰ সংৰক্ষিত ৰাখিছে বুলিও চৰকাৰী বিবৃতিত উল্লেখ কৰা হৈছে।

লক্ষ্যণীয়ভাৱে, হৰমুজ প্ৰণালীৰ বাণিজ্যিক জাহাজসমূহক আমেৰিকাৰ সেনাই নিৰাপদ পথ প্ৰদৰ্শন কৰিব বুলি ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কৰা ঘোষণাৰ পাছতেই অঞ্চলটোত কূটনৈতিক উত্তেজনা চৰম পৰ্যায়ত উপনীত হৈছে। ইপিনে, দেশখনৰ বৰ্তমানৰ নিৰাপত্তাজনিত পৰিস্থিতিৰ পুনৰীক্ষণ কৰি শিক্ষা মন্ত্ৰালয়ে আজিৰেপৰা অহা শুকুৰবাৰলৈকে দেশৰ সকলো শিক্ষানুষ্ঠানত অনলাইনযোগে পাঠদানৰ নিৰ্দেশ দিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ ৬ উইকেটত পৰাস্ত কৰে। লক্ষ্ণৌৱে বান্ধি দিয়া ২২৯ ৰানৰ লক্ষ্য মুম্বাইয়ে ১৮ অভাৰ আৰু ৪টা বলত ৪টা উইকেট হেৰুৱাই অতিক্ৰম কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি লক্ষ্ণৌৱে নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ২২৮ ৰান কৰে। মুম্বাইৰ ৰায়ান ৰিকাল্টনক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

এই জয়ৰ সুবাদত মুম্বাই ইণ্ডিয়ানছ প্ৰতিযোগিতাৰ পইণ্টছ তালিকাৰ ষষ্ঠ স্থানলৈ উন্নীত হৈছে। দলটোৱে এতিয়াও প্লে অফ পৰ্যায়ত উপনীত হোৱাৰ আশা সজীৱ কৰি ৰাখিছে। ইপিনে এই পৰ্যন্ত ৯ খন খেলৰ পৰা মাত্ৰ ৪ পইণ্টহে অৰ্জন কৰা লক্ষ্ণৌ দলটোৰ প্লে অফ পৰ্যায়ত উপনীত হোৱাৰ আশা প্ৰায় নিৰ্বাপিত হৈছে।

প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত দেলহী কেপিটেলছ চেন্নাই ছুপাৰ কিংছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

সমাপ্ত